**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-04-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
**::::::::::::::::::::::::::::::::::::::::**

**Headlines**

১। লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে শাসক-বিৰোধী উভয়ৰে প্ৰচাৰ অভিযান তুংগত।

২। বৰপেটা সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ বৰক্ষেত্ৰী, হাজো, সৰুপেটাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্বাচনী প্ৰচাৰ। খানাপাৰাত কংগ্ৰেছ প্ৰাৰ্থী মীৰা বৰঠাকুৰৰ জনসাধাৰণৰ সৈতে মত বিনিময়। মানকাচৰত বদৰুদ্দিন আজমলৰ নিৰ্বাচনী সভা।

৩। মুখ্যমন্ত্ৰী, ৰাজ্যিক বিজেপিৰ সভাপতিৰে নিশা অমিত শ্বাহৰ নিৰ্বাচনী পৰ্যালোচনা বৈঠক। বিজেপিৰ ৰাজ্যিক মুখ্য কাৰ্যালয়ত আজি সংবাদমেল।

৪। সামাজিক মাধ্যমত ভুৱা ভিডিঅ' প্ৰচাৰৰ অভিযোগত কংগ্ৰেছৰ 'ৱাৰ ৰুম'ৰ সমন্বয়ক ৰীতম সিঙক গ্ৰেপ্তাৰ। তেলেংগানাৰ মুখ্যমন্ত্ৰীলৈ দিল্লী আৰক্ষীৰ জাননী।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ, মুম্বাই ইণ্ডিয়ানছৰ মুখামুখি।

০০০০০০০

ৰাজ্যৰ চাৰিটা সমষ্টি ক্ৰমে গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু কোকৰাঝাৰত ৭ মে'ত লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ত ভোটগ্ৰহণ কৰা হ'ব। এই চাৰিটা সমষ্টিত বৰ্তমান বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান তীব্ৰ হৈ উঠিছে। বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকলৰ লগতে নেতা-কৰ্মীসকলে প্ৰচাৰ চলাই ভোটদাতাসকলৰ মন আকৰ্ষণৰ চেষ্টা কৰিছে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বৰপেটা সমষ্টিৰ বিজেপি মিত্ৰজোঁট সমৰ্থিত অগপৰ প্ৰাৰ্থী ফণীভূষণ চৌধুৰীৰ হৈ বৰক্ষেত্ৰী, হাজো আৰু সৰুপেটাত জনসভাত অংশগ্ৰহণ কৰি প্ৰচাৰ চলায়। মন্ত্ৰী পীযুষ হাজৰিকাই বাক্সা জিলাৰ বৰমাত কোকৰাঝাৰৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ হৈ প্ৰচাৰ চলায়। অসম গণ পৰিষদৰ সভাপতি তথা মন্ত্ৰী অতুল বৰাই গোৱালপাৰাৰ হাতীপাৰা, হেলাপাখিৰী আৰু চেঁচাপানীত ধুবুৰীৰ মিত্ৰজোঁট সমৰ্থিত অগপ প্ৰাৰ্থী জাভেদ ইছলামৰ হৈ প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। অগপ নেতা তথা মন্ত্ৰী কেশৱ মহন্ত আৰু বিজেপি নেতা তথা মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি ধুবুৰীৰ অগপ প্ৰাৰ্থী জাভেদ ইছলামৰ হৈ দক্ষিণ শালমৰা মানকাচৰ জিলাৰ বিভিন্ন স্থানত প্ৰচাৰ চলাব।

মানকাচৰ বিধানসভা সমষ্টিত কালি ধুবুৰীৰ এ আই ইউ ডি এফৰ প্ৰাৰ্থী তথা বিদায়ী সাংসদ বদৰুদ্দিন আজমলে কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। তেওঁ প্ৰচাৰ কালত কংগ্ৰেছক সমালোচনাৰ লক্ষ্য কৰি লয়।

গুৱাহাটী লোকসভা সমষ্টিৰ প্ৰাৰ্থী বিজুলী কলিতা মেধিয়ে কালি ডিমৰীয়াৰ তাতীমৰাৰ লগতে ঠাকুৰকুছিত প্ৰচাৰ চলাই ৰাইজৰ সৈতে মত বিনিময় কৰে। সমষ্টিটোৰ কংগ্ৰেছ প্ৰাৰ্থী মীৰা বৰঠাকুৰ

গোস্বামীয়েও কালি বিভিন্ন অঞ্চলত প্ৰচাৰ চলায়। খানাপাৰাত ৰাইজৰ সৈতে মত বিনিময় কৰি তেওঁ সংবিধান ৰক্ষাৰ স্বাৰ্থত বিবেক ভোট দিবলৈ সকলোকে আহ্বান জনায়। কংগ্ৰেছ প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত চি পি আই এম এলে বীৰকুছি, তালতলা, পানীখাইতি, ৰাজাবাৰী, চপাইডং, বোন্দা আদি অঞ্চলত পথসভা পতাৰ লগতে ঘৰে ঘৰে প্ৰচাৰ পত্ৰ বিতৰণ কৰে।

০০০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি  দিনৰ ১০ বজাত গুৱাহাটীৰ বশিষ্ঠ চাৰিআলিত থকা ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত এখন সংবাদ মেলত অংশগ্ৰহণ কৰিব। এই সংবাদমেলত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতা উপস্থিত থাকিব। লোকসভা নিৰ্বাচনৰ প্ৰচাৰৰ বাবে কালি গুৱাহাটীত উপস্থিত হোৱা শ্ৰী শ্বাহ যোৱা নিশা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাৰ সৈতে গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়। শ্ৰী শ্বাহে ৰাজ্যত ইতিমধ্যে হৈ যোৱা প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ সবিশেষ বুজ লয়। তেওঁ ৰাজ্যৰ প্ৰতিটো সমষ্টিৰে নিৰ্বাচনী প্ৰেক্ষাপটৰ  আভাস লয়। বিজেপিৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি তৃতীয় পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া চাৰিটা সমষ্টিত প্ৰচাৰ অভিযানৰ ৰেহ-ৰূপ সন্দৰ্ভত জানিব বিচৰাৰ লগতে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে সমষ্টি কেইটাত দলীয় প্ৰাৰ্থীৰ জয়ৰ নিশ্চয়তাৰ বিষয়েও যাৱতীয় তথ্য লয়। জানিব পৰা মতে এই বৈঠকত শ্ৰী শ্বাহে মুখ্যমন্ত্ৰীৰ পৰা উত্তৰ-পূৰ্বাঞ্চলৰ বাকী ৰাজ্য কেইখনৰ সম্ভাব্য নিৰ্বাচনী ফলাফল সন্দৰ্ভতো আলোচনা কৰে।

বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে কালি গুৱাহাটী সমষ্টিৰ দলীয় প্ৰাৰ্থী বিজুলী কলিতা মেধিৰ হৈ প্ৰচাৰ চলায়। তেওঁ মহানগৰখনৰ চাইকেল ফেক্টৰী তিনিআলিৰ পৰা লাল গণেশলৈ প্ৰায় দুই কিলোমিটাৰ জোৰা বৃহৎ ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। এই ৰোড শ্ব'ত শ্ৰী শ্বাহৰ সৈতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মায়ো অংশ লয়। সন্ধিয়া হোৱা এই ৰোড শ্ব'ত হেজাৰ হেজাৰ দলীয় কৰ্মী, সমৰ্থক আৰু স্থানীয় ৰাইজেও ভাগ লয়। প্ৰায় ডেৰ ঘণ্টা জোৰা এই ৰোড শ্ব'ৰ সময়ত বিজেপিৰ জ্যেষ্ঠ নেতাগৰাকীয়ে সংবাদ মাধ্যমক কয় যে, এইবাৰ ৰাজ্যখনৰ ১৪টা সমষ্টিৰ ১২টাতে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী বিজয়ী হ'ব। তেওঁ লগতে দেশজুৰি বিজেপিৰ ফলাফল ভাল হ'ব বুলি মন্তব্য দি এন ডি এৰ আসনৰ সংখ্যা ৪০০ পাৰ হ'ব বুলি দাবী কৰে।

০০০০০০০

নিৰ্বাচন আয়োগে লোকসভা নিৰ্বাচনৰ ষষ্ঠ পৰ্যায়ৰ বাবে অধিসূচনা জাৰি কৰিছে। এই পৰ্যায়ত ৬খন ৰাজ্য আৰু এখন কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুঠ ৫৭টা সংসদীয় সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। দিল্লীৰ ৭ খন আসন, হাৰিয়ানাৰ ১০ খন, উত্তৰ প্ৰদেশৰ ১৪ খন, বিহাৰ আৰু পশ্চিমবংগৰ ৮ খনকৈ, ওড়িশাৰ ৬ খন আৰু ঝাৰখণ্ডৰ ৪খন আসনৰ বাবে ষষ্ঠ পৰ্যায়ত ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ত প্ৰাৰ্থীসকলে অহা ৬ মে'লৈ মনোনয়ন দাখিল কৰিব পাৰিব। ৭ মে'ত মনোনয়ন পত্ৰৰ পুনৰীক্ষণ কৰা হ'ব আৰু প্ৰাৰ্থীসকলে ৯ মে'ৰ ভিতৰত মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব। উল্লেখযোগ্য যে অহা ২৫ মে'ত এই পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব আৰু ৪ জুনত সকলো পৰ্যায়ৰ একেলগে ভোটগণনা কৰা হ'ব।

০০০০০০০

লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ত দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৪টা সমষ্টিৰ বাবে অহা ৭ মে'ত ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ত  এহেজাৰ ৩৫১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ইয়াৰ ভিতৰত ১২৩ গৰাকী মহিলা প্ৰাৰ্থী। প্ৰাৰ্থীসকলৰ ভিতৰত ৫৯১ গৰাকী স্নাতক বা স্নাতকোত্তৰ পৰ্যায়ৰ অৰ্হতা আছে। আনহাতে ৪১১ গৰাকী প্ৰাৰ্থী ২৫ৰ পৰা ৪০ বছৰ বয়সৰ ভিতৰৰ আৰু ৭১২ গৰাকী ৪১ৰ পৰা

৬০ৰ ভিতৰৰ। উল্লেখযোগ্য যে প্ৰথম পৰ্যায়ত ১৯ এপ্ৰিলত দেশৰ ১০২টা সমষ্টিত আৰু দ্বিতীয় পৰ্যায়ত ২৬ এপ্ৰিলত ৮৮টা সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল। আনহাতে, প্ৰথম পৰ্যায়ত এহেজাৰ ৬২৫ গৰাকী আৰু দ্বিতীয় পৰ্যায়ত এহেজাৰ ১৯৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। তৃতীয় পৰ্যায়ত অসমত ৪ খন, বিহাৰৰ ৫, ছত্তিশগড়ৰ ৭, গোৱাৰ দুখন, গুজৰাটৰ ২৬, কৰ্ণাটকৰ ১৪, মধ্যপ্ৰদেশৰ ৮, মহাৰাষ্ট্ৰৰ ১১, উত্তৰ প্ৰদেশৰ ১০, পশ্চিমবংগৰ ৪ তথা দাদৰা আৰু নগৰ হাভেলী, দমন আৰু দিউৰ দুখনকৈ তথা জম্মু আৰু কাশ্মীৰৰ এখন আসনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব।

০০০০০০০

মণিপুৰৰ আউটাৰ মণিপুৰ সংসদীয় সমষ্টিৰ বাবে ৬ টা ভোটগ্ৰহণ কেন্দ্ৰত আজি পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। নিৰ্বাচন আয়োগে দিয়া নিৰ্দেশনাৰ ভিত্তিত ৰাজ্যখনত পুনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া অনুষ্ঠিত হৈছে। পুৱা ৭ বজাৰ পৰা অনুষ্ঠিত ভোটগ্ৰহণ প্ৰক্ৰিয়া আবেলি ৪ বজাত সমাপ্ত হ'ব। উল্লেখযোগ্য যে যোৱা ২৬ এপ্ৰিলত  এই ছটা ভোটগ্ৰহণ কেন্দ্ৰত ব্যাপক খেলিমেলি হোৱাৰ বাবে নিৰ্বাচন আয়োগে ভোটগ্ৰহণ প্ৰক্ৰিয়া বাতিল কৰিছিল। ৰাজ্যখনৰ উখৰুল জিলাৰ ৫ টা ভোটগ্ৰহণ কেন্দ্ৰ আৰু সেনাপতি জিলাৰ এটা ভোটগ্ৰহণ কেন্দ্ৰত পুনৰ ভোটগ্ৰহণ কৰা হৈছে।

০০০০০০০

বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ এটা ভুৱা ভিডিঅ' সামাজিক মাধ্যমত শ্বেয়াৰ কৰাৰ লগতে বিতৰ্কিত মন্তব্য কৰাৰ অভিযোগত গুৱাহাটী মহানগৰ আৰক্ষীয়ে কালি কংগ্ৰেছৰ সদস্য ৰীতম সিঙক গ্ৰেপ্তাৰ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমযোগে এইকথা প্ৰকাশ কৰিছে। অসম আৰক্ষীয়ে প্ৰকাশ কৰা মতে ভাৰতীয় জাতীয় কংগ্ৰেছৰ 'ৱাৰ ৰুম'ৰ অন্যতম সমন্বয়ক ৰীতম সিঙক পাণবজাৰ থানাত ৰুজু হোৱা কেইবাটাও গোচৰৰ অধীনত গ্ৰেপ্তাৰ কৰা হৈছে। তেওঁৰ পৰা দুটা ম'বাইল ফোন আৰু এটা লেপটপ আৰক্ষীয়ে জব্দ কৰিছে। বিজেপিয়ে অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে থকা সংৰক্ষণ প্ৰত্যাহাৰ কৰিব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কোৱা এটা ভুৱা ভিডিঅ' শেহতীয়াকৈ সামাজিক মাধ্যমত প্ৰচাৰ হৈছে। এই ভিডিঅ'টো সন্দৰ্ভত শ্ৰী শ্বাহ আৰু বিজেপিয়ে দিয়া অভিযোগৰ ভিত্তিত দিল্লীকে ধৰি দেশৰ একাধিক স্থানত কেইবাটাও গোচৰ ৰুজু কৰা হৈছে। ইপিনে, একেটা অভিযোগতে তেলেংগানাৰ মুখ্যমন্ত্ৰী ৰেৱন্ত ৰেড্ডীলৈও দিল্লী আৰক্ষীয়ে চমন জাৰি কৰিছে। আৰক্ষীয়ে তেওঁক কাইলৈ দিল্লী আৰক্ষীৰ চাইবাৰ কোষৰ ওচৰত হাজিৰ হ'বলৈ নিৰ্দেশ দিছে।

০০০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি কৰ্ণাটকৰ বাগালকোটত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। সভাখনত অংশগ্ৰহণ কৰি তেওঁ কয় যে বিজেপিয়ে উন্নয়নৰ হকে কাম কৰাৰ বিপৰীতে কংগ্ৰেছে ভোটবেংকৰ লক্ষ্য আগত ৰাখিহে কাম কৰে।  ভাৰতক ২০৪৭ চনৰ ভিতৰত এখন বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ দৃষ্টিভংগীৰে তেওঁ অহৰ্নিশে প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলিও ভাষণত উল্লেখ কৰে।

আনহাতে, মহাৰাষ্ট্ৰৰ চোলাপুৰত আন এখন নিৰ্বাচনী সভাত  অংশগ্ৰহণ কৰি শ্ৰীমোদীয়ে কয় যে কোনো লোকেই দেশৰ সংবিধান সলনি কৰা আৰু সংৰক্ষণ ব্যৱস্থাৰ অন্ত পেলোৱাৰ দৰে কাম কৰিব নোৱাৰে। তেওঁ কয় যে এন ডি এ চৰকাৰে প্ৰতিখন গাঁও, প্ৰতিখন ঘৰলৈ গৈ অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ পৰিয়ালসমূহে যাতে বিভিন্ন জনকল্যাণমূলক আঁচনিৰ সুবিধা লাভ কৰিব পাৰে,

সেই কথা সুনিশ্চিত কৰিছে। ইয়াৰ পাছত প্ৰধানমন্ত্ৰীয়ে মহাৰাষ্ট্ৰৰ চাটাৰাতো আন এখন জনসভাত অংশগ্ৰহণ কৰে।

ইফালে, কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কালি কৰ্ণাটকৰ য়াদগিৰ জিলাৰ গুলৱাৰগা সংসদীয় সমষ্টিৰ গুৰমিটকলত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। ভাষণ প্ৰসংগত শ্ৰীখাৰ্গেই দেশত বৃদ্ধি পোৱা নিবনুৱা সমস্যা আৰু বৰ্ধিত মূল্যবৃদ্ধিৰ ফলত জনসাধাৰণ ক্ষুব্ধ হৈছে বুলি প্ৰকাশ কৰে। শ্ৰীখাৰ্গেই ১৯৭২ চনৰ পৰা ২০০৪ চনলৈকে গুৰমিটকল বিধানসভা সমষ্টিক প্ৰতিনিধিত্ব কৰিছিল। তেওঁ কয় যে বিধায়ক হিচাপে আৰু কেবিনেট মন্ত্ৰী হিচাপে তেওঁ সমষ্টিটোৰ প্ৰতিখন  গাঁৱত বৈদ্যুতিকীকৰণ কৰাৰ লগতে খোৱাপানী যোগান, ৰাস্তা-ঘাটৰ উন্নয়ন আৰু দৰিদ্ৰ লোকক বাসগৃহ প্ৰদান কৰিছিল।

কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে কালি উত্তৰ গুজৰাটৰ পাটানত এখন নিৰ্বাচনী সভাত অংশ গ্ৰহণ কৰে। শ্ৰীগান্ধীয়ে দেশত বৃদ্ধি পোৱা মুদ্ৰাস্ফীতিৰ হাৰ আৰু নিবনুৱা সমস্যাৰ বাবে বিজেপি চৰকাৰক কঠোৰ ভাষাৰে সমালোচনা কৰে। তেওঁ এন ডি এ চৰকাৰৰ বিৰুদ্ধে একাংশ বৃহৎ বাণিজ্যিক প্ৰতিষ্ঠানৰ বুজন সংখ্যক ঋণ ৰেহাই দিয়া আৰু কৃষক তথা সাধাৰণ শ্ৰমিকসকলৰ প্ৰতি অন্যায়-অবিচাৰ কৰা বুলি অভিযোগ তোলে।

০০০০০০০

ৰাজ্যত তৃতীয় পৰ্যায়ত হ'বলগীয়া নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনসমূহে ভোটদাতাৰ সজাগতামূলক ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে নিৰ্বাচনী আচৰণবিধি উলংঘাৰ ঘটনা ৰোধ কৰিবলৈ বিহিত ব্যৱস্থা লৈছে। সেই অনুসৰি বিভিন্ন জিলাত ভোটদাতাৰ সজাগতাৰ বাবে কাৰ্যসূচী গ্ৰহণ কৰাৰ লগতে ফ্লাইং স্কোৱাড আৰু নিৰীক্ষণকাৰী দলসমূহে নিৰ্বাচনী আচৰণ বিধি উলংঘাৰ ঘটনা ধৰা পেলোৱাৰ বাবে কাৰ্যকৰী ব্যৱস্থা লৈছে। নিৰ্বাচন হ'বলগীয়া ৪ টা সমষ্টি গুৱাহাটী, বৰপেটা, কোকৰাঝাৰ আৰু ধুবুৰীৰ অন্তৰ্গত অঞ্চলসমূহত নিৰ্বাচন বিভাগ আৰু জিলা প্ৰশাসনৰ উদ্যোগত যুৱ ভোটদাতাসকলক ভোটদানৰ বাবে আগ্ৰহী কৰি তুলিবলৈ বিভিন্ন কাৰ্যসূচী লোৱা হৈছে।  ইপিনে, নিৰ্বাচন সুকলমে পৰিচালনাৰ বাবে ভোটগ্ৰহণ হ'বলগীয়া কেন্দ্ৰসমূহত নিৰ্বাচনী আয়োগৰ নিৰ্দেশনামৰ্মে সুৰক্ষা ব্যৱস্থাকে ধৰি প্ৰয়োজনীয় সকলো ব্যৱস্থা কৰিবলৈ জিলা নিৰ্বাচন বিভাগসমূহে নিশ্চিত কৰিছে। প্ৰতিটো ভোটকেন্দ্ৰলৈ আহি ভোটদান কৰাৰ বাবে ইচ্ছুক জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগসকলক ভোটদানৰ সুবিধা কৰি দিয়াৰ বাবেও উপযুক্ত ব্যৱস্থা লোৱা হ'ব। তদুপৰি ৫০ শতাংশ ভোটগ্ৰহণ কেন্দ্ৰত ৱেবকাষ্টিঙৰ ব্যৱস্থা কৰা হ'ব। একেদৰে নিৰ্বাচনী দায়িত্বত নিয়োজিত বিষয়া-কৰ্মচাৰী আৰু ই ভি এম কঢ়িয়াই নিয়া বাহনসমূহত জি পি এছ সংলগ্ন কৰা হ'ব।

০০০০০০০

নেচনেল টেষ্টিং এজেন্সি আৰু বিশ্ববিদ্যালয় অনুদান আয়োগে ইউ জি চি নেট অহা ১৬ জুনৰ পৰিৱৰ্তে ১৮ জুনত অনুষ্ঠিত কৰা হ'ব বুলি ঘোষণা কৰিছে। পৰীক্ষাৰ্থীসকলৰ মতামতৰ প্ৰতি লক্ষ্য ৰাখি এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। নেচনেল টেষ্টিং এজেন্সিয়ে সেই দিনটোত অ' এম আৰ পদ্ধতিৰে সমগ্ৰ দেশত এই পৰীক্ষা অনুষ্ঠিত কৰিব।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি লক্ষ্ণৌৰ একানা স্পৰ্টছ চিটী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ, মুম্বাই ইণ্ডিয়ানছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব। আনহাতে, কলকাতাৰ ইডেন গাৰ্ডেনছত কালি অনুষ্ঠিত এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছে দেলহী

কেপিটেলছক ৭ উইকেটত পৰাস্ত কৰে। টছত জয়ী হৈ প্ৰথমে বেট ধৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা দেলহী কেপিটেলছে নিৰ্ধাৰিত ২০ অ'ভাৰত ৯টা উইকেট হেৰুৱাই ১৫৩ ৰান সংগ্ৰহ কৰে। নিৰ্ধাৰিত লক্ষ্য অনুসৰণ কৰি কলকাতা নাইট ৰাইডাৰ্ছে ১৬ অভাৰ ৩টা বলত ৩টা উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়। দেলহী কেপিটেলছৰ হৈ কুলদীপ যাদৱে ২৬টা বলত ৩৫ ৰান কৰি আউট নোহোৱাকৈ থাকে। ঋষভ পণ্টে ২০টা বলত ২৭ ৰানৰ বৰঙণি আগবঢ়ায়। একেদৰে, কলকাতা নাইট ৰাইডাৰ্ছৰ হৈ ফিল ছল্টে ৩৩টা বলত ৬৮ ৰান কৰে। শ্ৰেয়াছ্ আয়াৰে ২৩টা বলত ৩৩ ৰান কৰি আউট নোহোৱাকৈ থাকে।

০০০০০০০

## Newspaper Review (30-4-2024 Morn.)

লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ পূৰ্বে কালি গুৱাহাটীত কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে ৰোড শ্ব' কৰাৰ বাতৰিটো আজি **অসমীয়া প্ৰতিদিন, দৈনিক জনমভূমি, অসমীয়া খবৰ** আদিকে ধৰি গুৱাহাটীৰ পৰা প্ৰকাশিত আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰ স্থান দিছে। নিয়মীয়া বাৰ্তাত এই বাতৰিৰ শিৰোনাম **অমিত শ্বাহৰ বিশাল ৰোড শ্ব'-চাইকেল ফেক্টৰীৰ পৰা লাল গণেশলৈ দুই কিলোমিটাৰ পথ গেৰুৱাময়**।

মুখ্য সচিব ৰবি কোটাই বানপানী প্ৰতিৰোধৰ বাবে ৰাজ্যৰ বিভিন্ন বিভাগৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰে। এই বাতৰিটো **দি আছাম ট্ৰিবিউন** আৰু **দ্যা ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। দি আছাম ট্ৰিবিউন কাকতৰ শিৰোনাম Flood preparedness in State reviewes : UNICEF to assist Assam governmect in assessment of one-third of the model relief camps to be set up in every revenue cricle।

সমগ্ৰ দেশজুৰি প্ৰচণ্ড গৰমে জনসাধাৰণৰ অসুবিধাৰ সৃষ্টি কৰা বাতৰিটো দৈনিক অগ্ৰদূত কাকতে **বতৰ বিজ্ঞানৰ সতৰ্কবাণী কেবাখনো ৰাজ্যত তাপমাত্ৰাই চুলে ৪২-৪৫ ডিগ্ৰী ঃ স্বাভাৱিক হাৰতকৈ বৃদ্ধি ৪-৮ ডিগ্ৰী চেলছিয়াচ** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে।

যোৱা এটা দশকজুৰি উত্তৰ-পূব ভাৰতৰ মাজেৰে চুবুৰীয়া বাংলাদেশ আৰু এছিয়াৰ আন ১০ খন দেশৰ মাজত যোগাযোগ বৃদ্ধি হোৱা বুলি কেন্দ্ৰীয় বৈদেশিক মন্ত্ৰী এছ্ জয়শংকৰে মত প্ৰকাশ কৰা বাতৰিটো দ্যা ছেণ্টিনেল কাকতে Dramatic improvement in ties with B desh, game-changing connectivity through NE শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

কোকৰাঝাৰ লোকসভা সমষ্টিত কালি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দল-সংগঠনৰ সৈতে গোপন বৈঠকত মিলিত হোৱা বাতৰিটো দৈনিক জনমভূমি কাকতে **জনগোষ্ঠীয় সমস্যা সমাধানৰ প্ৰতিশ্ৰুতি-কোকৰাঝাৰত নিশা দল সংগঠনেৰে বৈঠক মুখ্যমন্ত্ৰীৰ** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

ৰাজ্যজুৰি ব্যাপক হাৰত মীন আইন উলংঘা হোৱাৰ বাতৰিটো দৈনিক অগ্ৰদূত কাততে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। এই বাতৰিৰ শিৰোনাম **ব্যাপক হাৰত উলংঘন মীন আইন ঃ বিলুপ্তিৰ দিশে ২০ৰ অধিক থলুৱা প্ৰজাতিৰ মাছ**।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – মীৰা বৰঠাকুৰৰ হৈ নিৰ্বাচনী প্ৰচাৰ জোনমণি ৰাভাৰ মাতৃৰ, শিলাবৃষ্টিয়ে বিঘিনি ঘটাব পাৰে ভোটৰ প্ৰচাৰত, সৰুপেটা, বৰক্ষেত্ৰী, হাজোত নিৰ্বাচনী প্ৰচাৰ মুখ্যমন্ত্ৰীৰ, কেনিয়াত মথাউৰি ভাঙি ৪৫ জন লোক নিহত ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

0000000

**সমাপ্ত**